# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-12-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা মুকলি।

২। ভাৰতীয় সংবিধানৰ প্ৰণেতা, ভাৰত ৰত্ন ড° বি আৰ আম্বেদকাৰৰ ৬৯ সংখ্যক মৃত্যু বাৰ্ষিকীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰদ্ধা জ্ঞাপন।

৩। ২০২৪-২৫ বৰ্ষৰ বাবে ৰাজ্য চৰকাৰৰ সাহিত্য বঁটা আৰু পেঞ্চন প্ৰাপকৰ তালিকা প্ৰকাশ।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ সংখ্যা বৃদ্ধি। যোৱা দুটা মাহত ৰাজহ সংগ্ৰহৰ পৰিমাণ প্ৰায় ডেৰ কোটি।

**আৰু**

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত বোৰ্ডাৰ-গাভাস্কাৰ টেষ্ট শৃংখলাৰ দ্বিতীয়খন ক্ৰিকেট টেষ্ট আজি কিছু সময় পাছতে এডিলেইডত আৰম্ভ।

০০০০০০০

———প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব। তিনিদিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সংস্কৃতি, চহকী বস্ত্ৰশিল্প, শিল্পকলা আৰু পৰ্যটনৰ প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মীৰূপে পৰিচিত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাই দেশৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱত ২৫০ গৰাকীতকৈ অধিক শিল্পীয়ে হস্তশিল্প, বস্ত্ৰ আৰু কৃষি তথা উদ্যান শস্যৰ জি আই টেগ লাভ কৰা ৩৪ বিধ সা-সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰিব। এই অনুস্থানৰ সৈতে সংগতি ৰাখি ফেশ্বন শ্ব', ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন আদিৰো আয়োজন কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৩২০ গৰাকী কৃষক আৰু শিল্পীৰ সা-সামগ্ৰী প্ৰদৰ্শন হ'বলগীয়া গ্ৰাম্য হাট বজাৰ এই মহোৎসৱৰ বিশেষ আকৰ্ষণ। উল্লেখযোগ্য যে এই মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, উদ্যোগীসকলক নতুন সুযোগ প্ৰদান কৰিব।

০০০০০

———আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা, ভাৰতৰত্ন ড° বি আৰ আম্বেদকাৰৰ ৬৯ সংখ্যক মৃত্যু বাৰ্ষিকী। সমতা, ভাতৃত্ববোধ আৰু ঐক্যৰ আদৰ্শৰে এখন বৈচিত্ৰহীন সমাজৰ বুনিয়াদ ৰচনা কৰা আইনজ্ঞ, সুদক্ষ ৰাজনীতিবিদ আম্বেদকাৰক তেওঁৰ মৃত্যু বাৰ্ষিকীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

জাতি গঠনৰ ক্ষেত্ৰত বাবা চাহেব আম্বেদকাৰক স্মৰণ কৰাৰ উদ্দেশ্যে দেশজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেইবাগৰাকী সাংসদ তথা অন্যান্য বিষয়ববীয়াই ভাৰতীয় সংবিধানৰ ৰূপকাৰ আম্বেদকাৰৰ স্মৃতিত নতুন দিল্লীত সংসদ ভৱনৰ প্ৰেৰণা স্থলত আজি শ্ৰদ্ধা জ্ঞাপন কৰিব।

০০০০০

ৰাজ্য চৰকাৰে ২০২৪-২৫ বৰ্ষৰ বাবে সাহিত্য বঁটা আৰু পেঞ্চন প্ৰাপকৰ তালিকা প্ৰকাশ কৰিছে। কাইলৈ প্ৰয়াত সাহিত্যিক হোমেন বৰগোহাঞিৰ জন্ম দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত ৩১ গৰাকী ব্যক্তিক এই সন্মান জনোৱা হ'ব।  অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বড়োলেণ্ড আঞ্চলিক পৰিষদ বিধান পালিকালৈ দুজন নতুন কাৰ্যবাহী সদস্য মনোনীত কৰিছে। এওঁলোক হৈছে সজল কুমাৰ সিংহ আৰু ছাইকং বসুমতাৰী। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ পৰামৰ্শ অনুসৰি এই দুজন সদস্যক কাৰ্যবাহী সদস্যৰূপে নিযুক্তি দিয়া হৈছে। এই নতুন অন্তৰ্ভুক্তিৰ ফলত বি টি চিত বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ প্ৰতিনিধিত্ব বৃদ্ধি পোৱাৰ লগতে কাৰ্যবাহী পৰিষদৰ কাৰ্যক্ষমতা অধিক বৃদ্ধি পাব বুলি আমাৰ কোকৰাঝাৰৰ সংবাদদাতাই জনাইছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি উদ্যানখনত যোৱা দুটা মাহত পৰ্যটকৰ সংখ্যা যথেষ্ট বাঢ়িছে। অক্টোবৰত পৰ্যটকৰ বাবে মুকলি কৰি দিয়া উদ্যানখন যোৱা দুটা মাহত ৮১ হাজাৰ ৬৮ গৰাকী পৰ্যটকে দৰ্শন কৰে। ইয়াৰে ৩ হাজাৰ ৪২৫ গৰাকী বিদেশী পৰ্যটক। অক্টোবৰত ২৯ হাজাৰ ৫৭৯ গৰাকী পৰ্যটক আৰু নৱেম্বৰত ৫১ হাজাৰ ৪৮৯ গৰাকী পৰ্যটকে উদ্যানখন ভ্ৰমণ কৰে। পৰ্যটকৰ পৰা যোৱা দুটা মাহত সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ প্ৰায় ডেৰ কোটি টকা।

ইফালে, সৰ্বভাৰতীয় ভিত্তিত চলি থকা হাতীৰ সংখ্যা নিৰূপণৰ অংশ হিচাপে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহতো হাতীৰ সংখ্যা নিৰূপণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কাইলৈ পৰ্যন্ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানতো হাতীৰ সংখ্যা এই প্ৰক্ৰিয়া চলি থাকিব।

০০০০০০০

———গুৱাহাটীৰ জ্যোতি চিত্ৰবনত কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ব্ৰহ্মপুত্ৰ উপত্যকা চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হৈছে। নৱম সংখ্যক এই মহোৎসৱত কালি মহানগৰীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। এই অনুষ্ঠানত জনপ্ৰিয় অভিনেতা কপিল বৰা, মহোৎসৱৰ পৰিচালক তনুশ্ৰী হাজৰিকাকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই মহোৎসৱত প্ৰদৰ্শনৰ বাবে ৩০খন ছবি তালিকাভুক্ত কৰা হৈছে। ইয়াৰে ২০খন ছবি প্ৰতিযোগিতা শাখাত তালিকাভুক্ত কৰা হৈছে। মহোৎসৱৰ চাৰিদিনীয়া কাৰ্যসূচীত পাৰ্থজিৎ বৰুৱাৰ "জ্যোতি ককাইদেউ" আৰু বিশ্বাস সুৰেশৰ "টু ট্ৰেইন্ছ" ছবি দুখন প্ৰদৰ্শিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় শাসিত প্ৰদেশ পুডুচেৰীত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ আৰু চুটি ছবি মহোৎসৱ আজি আৰম্ভ হ'ব। তিনিদিনীয়া এই মহোৎসৱত দেশ-বিদেশৰ মুঠ ৩৫ খন নিৰ্বাচিত তথ্য চিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰা হ'ব। ভাৰতৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ সহযোগিতাত পুডুচেৰী বিশ্ববিদ্যালয়ত ইলেকট্ৰনিকছ আৰু জনসংযোগ বিভাগৰ উদ্যোগত অনুষ্ঠিত এই মহোৎসৱত তামিলনাডু, প্ৰগতিশীল লেখক সমাজ আৰু পুডু চেৰী চলচ্চিত্ৰ সংঘইও সহযোগিতা আগবঢ়াইছে।

০০০০০

বাদুংদুপ্পা কলা কেন্দ্ৰই পঞ্চদশ বাৰ্ষিক আন্দাৰ দা শাল ট্ৰী নাট সমাৰোহ, ২০২৪-ৰ লগত সংগতি ৰাখি কেন্দ্ৰটোৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অহা ১৫, ১৬ আৰু ১৭ ডিচেম্বৰত তিনিদিনীয়াকৈ অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। মুক্ত আকাশৰ শালগছৰ তলত মাটিৰ মজিয়াত মঞ্চ, দৰ্শকৰ বাবে বাঁহেৰে গেলাৰী সাজি নাট প্ৰদৰ্শন কৰা বাদুংদুপ্পা

কলা কেন্দ্ৰই ব্যতিক্ৰমী নাট ধাৰাৰ সৃষ্টি কৰি বিশেষ পৰিচিতি লাভ কৰিছে। ১৫ ডিচেম্বৰৰ পুৱা নাট সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত দদান ৰাজা নামৰ নাটখন মঞ্চস্থ হ'ব। সেইদিনাই মংলি নামৰ আন এখন নাট মঞ্চস্থ হোৱাৰ লগতে ১৬ ডিচেম্বৰত কিন্ধান চাৰিটিৰাম নামৰ নাটখন প্ৰদৰ্শন কৰা হ'ব। সেইদিনা বিয়লি আঢ়ৈ বজাত ঈশান ৰাজ নামৰ আন এখন নাট প্ৰদৰ্শন কৰাৰ লগতে অন্তিম দিনা ৰূপালী জয়ন্তী বৰ্ষৰ অনুষ্ঠান বিভিন্ন লোককলাৰ প্ৰদৰ্শনেৰে সামৰণি পৰিব।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি সদনত কয়, যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী সংযোগী দলংখনৰ কাম ৫৩ দশমিক ২-৭ শতাংশ সম্পূৰ্ণ হৈছে। তেওঁ লগতে কয়, যে ২০২৮ চনৰ ২২ অক্টোবৰৰ ভিতৰত এই দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ব। সদনৰ প্ৰশ্নোত্তৰ কালত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ সকলো ৰাষ্ট্ৰীয় প্ৰকল্পৰ নিৰ্মাণ কাৰ্য ২০২৫ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব। তেওঁ উল্লেখ কৰে যে অসমত চলি থকা ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কাৰ্যৰ দায়িত্ব ৰাজ্যৰ লোকনিৰ্মাণ বিভাগক দিয়া হৈছে।

০০০০০০০

সৰুপথাৰত আজিৰেপৰা ৯ ডিচেম্বৰলৈ নেপালী সাহিত্য সভাৰ ষোড়শ ত্ৰিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। এই অধিৱেশনত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ কেইবাগৰাকীও সাহিত্যিকে অংশগ্ৰহণ কৰিব। ৯ ডিচেম্বৰত সভাৰ মুকলি অধিৱেশনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা।

০০০০০০০

আজি সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি অসমৰো বিভিন্ন স্থানত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পানীখাইতিত থকা কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজি কেন্দ্ৰীয়ভাৱে এই দিৱসৰ আয়োজন কৰা হৈছে। কাৰ্যসূচীত বিভাগীয় সঞ্চালক হাৰ্ডি সিঙে অংশগ্ৰহণ কৰিব। দিৱস উপলক্ষে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব। তিনিচুকীয়া জিলাতো অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে চাফাই অভিযান, পতাকা উত্তোলন, গছপুলি ৰোপণৰ লগতে স্বেচ্ছাসেৱকসকলক শুভেচ্ছা জ্ঞাপন, সজাগতা সমদল, দুৰ্যোগ সজাগতা আখৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা আয়ুক্তই এই সমদলৰ শুভাৰম্ভ কৰিব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ২০২৫ বৰ্ষৰ পঞ্জীকৰণৰ বাবে অহা ১৫ ফেব্ৰুৱাৰীৰ দিনটো অন্তিম দিন হিচাপে ধাৰ্য কৰা হৈছে। এই যোজনাৰ অধীনত বতৰৰ অনিশ্চয়তাৰ সৈতে জড়িত ক্ষতিৰ শংকা কম কৰি পৰিশ্ৰমী কৃষক ভাই-ভনীৰ আৰ্থিক হিত ৰক্ষা কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে। এতিয়ালৈকে এই আঁচনিৰ জৰিয়তে ১৯ কোটি ৬৭ লাখ কৃষক উপকৃত হোৱাৰ লগতে ৭০ কোটিৰো অধিক কৃষকৰ আবেদন লাভ কৰা হৈছে। আঁচনিৰ সবিশেষ জানিবলৈ ১৪৪৪৭ এই হেল্পলাইন নম্বৰ মুকলি কৰি দিয়া হৈছে।

০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই চলিত বিকশিত ভাৰত কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সময়সীমা অহা ১০ ডিচেম্বৰলৈ বৃদ্ধি কৰা হৈছে বুলি ঘোষণা কৰিছে। যুৱক-যুৱতীসকলে এই কুইজ প্ৰতিযোগিতাত ভাগ লোৱাৰ বাবে মাই ভাৰত প্লেটফৰ্ম চাব পাৰে। উল্লেখযোগ্য যে, ১৫ৰ পৰা ২৯ বছৰ বয়সৰ সকলো যুৱক-যুৱতীয়ে এই প্ৰতিযোগিতাত ভাগ লৈ বিকশিত ভাৰতৰ বাবে নিজৰ ধাৰণাসমূহ প্ৰকাশ কৰিব পাৰে। এই প্ৰতিযোগিতাত বিজয়ীসকলে

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১১ আৰু ১২ জানুৱাৰীত হ'বলগীয়া অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বিকশিত ভাৰত সন্দৰ্ভত থকা নিজৰ ধাৰণাসমূহৰ বিষয়ে মত বিনিময় কৰিব পাৰে।

ooooo

অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতমূলক পৰীক্ষাৰ ফলাফলৰ শীৰ্ষ ১০গৰাকীৰ ভিতৰত উত্তীৰ্ণ ৭গৰাকীয়েই মহিলা শিক্ষাৰ্থী। এই বিষয়ে দৈনিক অসম কাকতে এই গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰৰ কেবিনেটে ৰাজহুৱা স্থানত গো-মাংস ভক্ষণ নিষিদ্ধ কৰা দিনটোত অসমত প্ৰতি প্লেট কণীৰ দাম ২৫ টকালৈ বৃদ্ধি পোৱাৰ বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আজৰ সিদ্ধান্তত দিশহাৰা শিক্ষাৰ্থী তথা কলেজ কৰ্তৃপক্ষ, মাত্ৰ ৪৮ ঘণ্টাৰ ভিতৰত প্ৰপত্ৰ পূৰণৰ জাননী সন্দৰ্ভত প্ৰতিক্ৰিয়ামূলক এটি বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিয়মীয়া বাৰ্তা কাকতে লোকসভাত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প সন্দৰ্ভত কৰা ঘোষণাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। উদ্যোগপতি গৌতম আদানীৰ প্ৰসংগ উত্থাপন কৰি সংসদ ভৱনৰ মূল প্ৰবেশ পথত বিৰোধী ইণ্ডিয়াৰ বিৰোধ প্ৰদৰ্শনৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ২৯ ডিচেম্বৰত হ'ব টেট নিযুক্তি পৰীক্ষা। এই সন্দৰ্ভত অসমীয়া  প্ৰতিদিন কাকতে এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। ভাৰত আৰু ভূটানৰ অৰ্থনৈতিক সংযোগীকৰণ সুদৃঢ় কৰিববৈলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভূটানৰ ৰজাৰ মাজত হোৱা বিস্তৃত আলোচনাৰ বাতৰি দ্য ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমৰ সৰ্বাধিক প্ৰদূষিত ৯টা জলাশয়ৰ ভিতৰত চাৰিটাই গুৱাহাটীৰ। প্ৰদূষিত জলভাণ্ডাৰৰ ভিতৰত ভৰলুৰ নাম। প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড অসমৰ কেন্দ্ৰীয় গৱেষণাগাৰৰ সূত্ৰই প্ৰকাশ কৰা তথ্যই উন্মোচিত কৰিলে গুৱাহাটীৰ জল প্ৰদূষণৰ ভয়াবহ ৰূপ। এই সম্পৰ্কে দি আছাম ট্ৰিবিউন কাকতে এটা গুৰুত্বপূৰ্ণ প্ৰকাশ কৰিছে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত বোৰ্ডাৰ-গাভাস্কাৰ টেষ্ট শৃংখলাৰ দ্বিতীয়খন ক্ৰিকেট টেষ্ট আজি কিছু সময় পাছতে এডিলেইডত আৰম্ভ হ'ব। পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰিছিল। ভাৰতীয় দলটোৰ অধিনায়ক ৰোহিত শৰ্মাই সংবাদ মেল এখনত অংশগ্ৰহণ কৰি কয়, যে কে. এল. ৰাহুলে যশস্বী জয়ছৱালৰ সৈতে অপেনিং কৰিব।

ooooooo

বাহৰেইনত আজিৰেপৰা চলিত বৰ্ষৰ বিশ্ব ভাৰোত্তলন প্ৰতিযোগিতা আৰম্ভ হ'ব। ৩ গৰাকী মহিলা ভাৰতীয় ভাৰোত্তলকে এই প্ৰতিযোগিতাত ভাগ ল'ব। অৱশ্যে পুৰুষ শাখাত এই বছৰ কোনো ভাৰতীয় খেলুৱৈয়ে অংশগ্ৰহণ কৰা নাই। অলিম্পিকৰ পদক বিজেতা মীৰাবাই চানু এই প্ৰতিযোগিতাত ভাগ লোৱা নাই। চানুৰ অনুপস্থিতিত জ্ঞানেশ্বৰী য়াদৱে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। প্ৰতিযোগিতাৰ এই শাখাৰ গ্ৰুপ-এত স্থান লাভ কৰা জ্ঞানেশ্বৰী হৈছে একমাত্ৰ ভাৰতীয় ভাৰোত্তলক। কমনৱেলথ পদক বিজয়ী বিন্দিয়াৰাণী দেৱীয়ে মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-বিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে দিতীমণি সোণোৱালে ৬৪ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-চিত খেলিব।

ooooo

পুৰুষৰ ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ'ব। শ্বাৰজাহত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ১০ বজাত আৰম্ভ হ'ব। ডুবাইত হ'বলগীয়া

আনখন ছেমি ফাইনেলত পাকিস্তান, বাংলাদেশৰ মুখামুখি হ'ব। ভাৰতে গ্ৰুপ-এৰ শেষৰখন খেলত আৰব আমিৰি ৰাষ্ট্ৰক ১০ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। জাপান আৰু আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে জয়লাভ কৰি ভাৰত নিজৰ গ্ৰুপৰ দ্বিতীয় স্থানত আছে।

ooooo

**সমাপ্ত**